## বৃত্তীয় নিৰ্দেশনাৰ সংজ্ঞা (Meaning of Vocational Guidance)

বৃত্তীয় নিৰ্দেশনাক বহুতে বহুত ধৰণে বিবেচনা কৰে। বৃত্তীয় নিৰ্দেশনা হৈছে ব্যক্তিক বৃত্তীয় নিৰ্বাচনৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমূহ সম্পৰ্কত সহায় কৰা কাৰ্য, পৰিকল্পনা আৰু সমাযোজন প্ৰক্ৰিয়া। (It is a process that is intended to help people cope with problems relating to occupational choices, plans and adjustment.) এই কাৰ্যৰদ্বাৰা ব্যক্তিয়ে প্ৰশিক্ষণ আদিৰ অভাৱ হ'লেও, নতুবা অতি বুদ্ধিৰ ব্যক্তি নহ'লেও নিজৰ কৰ্মস্থানত সুচাৰুৰূপে সমাযোজন কৰিব পৰা দক্ষতা অৰ্জন কৰিব পাৰে।

১৯৩৭ চনত ৰাষ্ট্ৰীয় বৃত্তীয় নিৰ্দেশনা সংস্থাই (National Vocational Guidance association) বৃত্তীয় নিৰ্দেশনাৰ সংজ্ঞা এনেদৰে দিছে। যেনে "বৃত্তীয় নিৰ্দেশনা হৈছে এক প্ৰকাৰৰ প্ৰক্ৰিয়া, যিয়ে ব্যক্তিক কোনো এটা বৃত্তি বাচি লোৱাত সহায় কৰে, সেই বৃত্তিটোত উন্নতি কৰাত, বৃত্তিটোৰ ভিতৰলৈ সোমাই যোৱাত আৰু সন্তুষ্টিদায়ক সমাযোজনৰ বাবে ব্যক্তিক ভৱিষ্যতলৈ সাজু কৰি তোলাত সহায় কৰে।"

Scanned with CamScanner

ব্যৱসায়, শিল্প আদিৰ ক্ষেত্ৰলৈ উপযুক্ত মানৱ সম্পদ গঢ়ি তোলাত সহায় কৰে।

**বৃত্তীয় নিৰ্দেশনাৰ কাৰ্যাৱলী (Functions of Vocational Guidance):**

বৃত্তীয় নিৰ্দেশনা হৈছে এক প্ৰকাৰৰ সাহায্য, যাৰদ্বাৰা ব্যক্তিয়ে এটা যথোপযুক্ত বৃত্তি নিজৰ ইচ্ছা, মনোযোগ, আগ্ৰহ আদিৰ পৰিপূৰণেৰে গ্ৰহণ কৰিবলৈ সুবিধা পায়। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ পৰামৰ্শদাতা নাইবা কোনোবা সদস্যই শিশুসকলক পৰামৰ্শ দান কৰি চাকৰি সম্পৰ্কত সুখ আৰু সন্তুষ্টিদায়ক পৰিস্থিতি গ্ৰহণ কৰিবলৈ সুবিধা কৰি দিয়ে। বৃত্তীয় নিৰ্দেশনাৰ কাৰ্যসমূহ তলত উল্লেখ কৰা ধৰণে আলোচনা কৰিব পাৰি। যেনে —

**চাকৰি সম্পৰ্কত আগ্ৰহ সৃষ্টি কৰা কাৰ্য (Encourage Vocational Interests) :**

বৃত্তীয় নিৰ্দেশনা খৰখেদাকৈ গ্ৰহণ কৰা বিষয় নহয়; বৰং উপযুক্ত সময়তহে চাকৰি সম্পৰ্কীয় পৰামৰ্শ ল'ব লাগে। ইয়াৰোপৰি, বিভিন্ন নিয়োগ সম্পৰ্কত পৰামৰ্শ গ্ৰহণ কৰি কোনো বিশেষধৰণৰ নিয়োগ ব্যৱস্থাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব লাগে। কোনো এজনেই এনেকুৱা ক্ষেত্ৰত উপযুক্ত নিৰ্দেশনা অবিহনে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব পাৰে।

**ফলপ্ৰসূ সিদ্ধান্ত গ্ৰহণৰ দক্ষতা অৰ্জনত সহায় কৰা (Helping Students learn effective decision making skill) :**

এজন ছাত্ৰই তেওঁৰ কোন ক্ষেত্ৰত উপযুক্ত দক্ষতা আছে, তেওঁৰ কোন ক্ষেত্ৰত দুৰ্বলতা আছে আদি সম্পৰ্কত নিজে জানি লৈ কোনো কাৰ্যলৈ নিৰ্বাচিত হ'বলৈ নাইবা কাৰ্য ক্ষেত্ৰত উপযুক্ত দক্ষতা প্ৰদৰ্শন কৰিবলৈ উপযুক্ত নিৰ্দেশনাৰ দ্বাৰা অৱগত হোৱা উচিত। এজন ছাত্ৰই তেওঁৰ চাৰিওফালে থকা পৃথিৱীখনত তেওঁৰ যোগ্যতা অনুসৰি আগবাঢ়ি যোৱাৰ বাবে কেনেকুৱা পৰিকল্পনা লোৱা উচিত সম্পূৰ্ণৰূপে বুজি পোৱা দৰকাৰ। তেওঁ তেওঁৰ বিচৰাধৰণৰ কাৰ্যক্ষেত্ৰ সম্পৰ্কত জ্ঞান থকা দৰকাৰ। এনেধৰণৰ জ্ঞান লাভৰ বাবে নিৰ্দেশক বা পৰামৰ্শদাতাই তেওঁক সহায় কৰিব পাৰে।

Scanned with CamScanner

**৩. ছাত্ৰ-ছাত্ৰীসকলক পৰিপক্কভাৱে আৰু উদ্দেশ্যপূৰ্ণভাৱে এটা বৃত্তি বাচি লোৱাত সহায় কৰা কাৰ্য (Helping students select a vocation maturely and objectively) :**

সাধাৰণতে ডেকা ল'ৰা-ছোৱালী বিলাকে আকৰ্ষণ থকা বৃত্তিৰ প্ৰতি বেছিকৈ আকৃষ্ট হয়। সেয়েহে, তেওঁলোকে সঁচাকৈ সেই বৃত্তিটো ভাল পায়নে, সেই বৃত্তিটো গ্ৰহণ কৰিবৰ বাবে তেওঁৰ নিজৰ যোগ্যতা আছেনে নাই ইত্যাদি বিষয় নিৰ্দেশনা দান কাৰ্যইহে সমাধান কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দেশনা গ্ৰহণ কৰাৰ পিছত বৃত্তি এটা নিৰ্বাচন কৰিবলৈ স্বাধীনভাৱে বিবেচনা কৰিব পাৰে।

বৃত্তিমূলক নিৰ্দেশনা বিকাশৰ যিকোনো স্তৰতে প্ৰয়োজন অনুসাৰে দিব পাৰি। এই কথাটো প্ৰয়োজনীয় নহয় যে কেৱল ইয়াক বিকাশৰ কোনো বিশেষ স্তৰতে আৰম্ভ কৰিব পাৰি। প্ৰকৃততে ছাত্ৰ-ছাত্ৰী সকলক নৱম-দশম শ্ৰেণীৰ পৰায়ে বিষয় নিৰ্বাচনৰ নিৰ্দেশনাৰ যোগে কোনো বিশেষ বৃত্তিৰ প্ৰতি অনুৰাগী কৰি তুলিবব পাৰি। কাৰণ পাঠ্যক্ৰমৰ ভুল নিৰ্বাচনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল ভৱিষ্যতে কোনো এটা দিশ নিৰ্বাচন কৰাৰ ক্ষেত্ৰত ভুল পথেৰে পৰিচালিত হৈ বিপদত পৰিব পাৰে।

ডেকা ল'ৰা-ছোৱালীখিনিয়ে প্ৰকৃততে যিটো বৃত্তি গ্ৰহণ কৰিব বিচাৰে সিটোৰ প্ৰতি আকৰ্ষিত বা আগ্ৰহী হয় নে নহয় বা তেওঁলোকৰ তেনেকুৱা বৃত্তি গ্ৰহণৰ যোগ্যতা আছে নে নাই ইত্যাদি দিশৰ প্ৰতি শিক্ষা গ্ৰহণ কৰা সময়ৰে পৰা অগ্ৰহী হ'ব লাগিব আৰু সেই কথাখিনি বৃত্তীয় নিৰ্দেশনা আদিৰ দ্বাৰা জানি ল'ব লাগিব। যদি তেওঁৰ নিৰ্বাচনত ভুল হৈছে তেতিয়া শুধৰণি কৰা অতি প্ৰয়োজনীয় কথা।

Scanned with CamScanner